উচ্চাৰণঃ "আল্লাহুম্মা ইন্নি আউজু বিকা মিন গালাবাতিত দাইন, অগালাবাতিল আদুউ, অশ্বামা-তাতিল আ'দা।

আব্দুল্লাহ বিন আমৰ ইবনুল আচ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত যে, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে এইবোৰ বাক্যৰ জৰিয়তে দুআ কৰিছিলঃ উচ্চাৰণঃ "আল্লাহুম্মা ইন্নি আউজু বিকা মিন গালাবাতিত দাইন, অগালাবাতিল আদুউ, অশ্বামা-তাতিল আ'দা।" অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত ঋণৰ বোজা, শত্ৰুৰ প্ৰাধান্য, আৰু শত্ৰুৰ
আনন্দৰ পৰা আশ্ৰয় প্ৰাৰ্থনা কৰিছোঁ। [ছহীহ] [(নাছায়ী, আহমদ)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ইয়াত কেইবাটাও বস্তুৰ পৰা আল্লাহৰ আশ্ৰয় প্ৰাৰ্থনা

কৰিছে। প্ৰথমঃ (اللهم إني أعوذ (মই আশ্ৰয় বিচাৰোঁ, (بك (কেৱল তোমাৰ ওচৰত, (ين من غلبة الد (ঋণৰ বোজাৰ পৰা, লগতে মই তোমাৰ ওচৰত এই ঋণ পৰিশোধৰ কাৰণে সহায় প্ৰাৰ্থনা কৰোঁ। দ্বিতীয়ঃ (وغلبة العدو (শত্ৰুৰ প্ৰাধান্যতা আৰু বৰ্বৰতাৰ পৰাও আশ্ৰয় বিচাৰোঁ। লগতে শত্ৰুৰ হাত বিৰত ৰাখিবলৈ আৰু এই ক্ষেত্ৰত সহায় কৰিবলৈ তোমাৰ ওচৰত প্ৰাৰ্থনা কৰোঁ। তৃতীয়ঃ (وشماتة الأعداء(মুছলিমসকলৰ বিপদ-আপদৰ সময়ত শত্ৰুৰ আনন্দ প্ৰকাশৰ পৰা তোমাৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰোঁ।

https://sunnah.global/hadeeth/as/show/5489